প্ৰেছ বিজ্ঞপ্তি
৯ মাৰ্চ, ২০১৮

## আৰ বি আয়ে ভিজিটিং ফেলো কাৰ্যসূচী ঘোষণা কৰিছে

ভাৰতীয় ৰিজাৰ্ভ বেংকে বিদেশী কেন্দ্ৰীয় বেংক, আন্তৰ্জাতিক সংস্থা, বিদেশী বিশ্ববিদ্যালয় আৰু বিদেশস্থ অন্যান্য গৱেষণা সংস্থাৰ বিশেষজ্ঞৰ বাবে "RBI Visiting Fellow Programme" ঘোষণা কৰিছে। কাৰ্যসূচীৰ মূল বৈশিষ্ট্যবোৰ সংলগ্নপত্ৰত সন্নিৱিষ্ট হৈছে।

ইচ্ছুক প্ৰাৰ্থীসকলে নিজৰ চিভি আৰু গৱেষণা প্ৰস্তাৱসহ email যোগে আবেদন কৰিব পাৰে।

প্ৰেছ বিজ্ঞপ্তি – ২০১৭-২০১৮/২৪১৩

জোস জে. কট্টুৰ
মুখ্য মহা প্ৰৱন্ধক

**আৰ বি আই ভিজিটিং ফেলো কাৰ্যসূচী**

Annex

১) ভিজিটিং ফেলোগৰাকীৰ স্বীকৃত বিদেশী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বা অৰ্থশাস্ত্ৰত পিএইছডি ডিগ্ৰী থকা হব লাগিব আৰু আদৰ্শ অৱস্থাত সংশ্লিষ্ট বিদ্বত পত্ৰিকাত প্ৰকাশনৰ লেখসহ বিদেশত কমেও তিনি বছৰৰ গৱেষণা অভিজ্ঞতা থাকিব লাগিব।

২। সম্ভাব্য ভিজিটিং ফেলোৱে ১০০০ শব্দৰ অধিক নোহোৱা এটা গৱেষণা প্ৰস্তাৱ আৰু বিষদ বিদ্যায়তনিক লেখলিপি (চিভি) পঠিয়াব লাগিব।

৩) চিভি, চুপাৰিছ পত্ৰ আৰু গৱেষণা প্ৰস্তাৱৰ মান আদিৰ সামগ্ৰিক মূল্যায়ন ভিত্তিত বাছনি কৰা হব। সীমিত তালিকাভুক্ত ভিজিটিং ফেলোসকলক প্ৰয়োজন সাপেক্ষে ভিডিঅ-কন-কাৰেন্সিং/মৌলিক সাক্ষাত্‌কাৰৰ বাবে আমন্ত্ৰণ কৰা হব পাৰে।

৪) সফল ভিজিটিং ফেলোসকলে স্বতন্ত্ৰৰীয়াকৈ বা আৰবিআই কেন্দ্ৰীয় কাৰ্যালয়ৰ গৱেষকসকলৰ সৈতে যুটীয়াভাৱে স্থূল অৰ্থনৈতিক পূৰ্বাভাষ আৰু বিশ্লেষণ, মৌদ্ৰিক নীতি, বেংকিং/বিত্তীয় মধ্যস্থতাকৰণ, বিত্তীয় সুস্থিৰতা তথা অন্যান্য স্থূল আৰুসংৰচনাত্মক বিষয়বোৰত, যিবোৰৰ ভাৰত আৰু উদীয়মান অৰ্থনীতিবোৰত প্ৰাসঙ্গিকতা আছে, তেনেবোৰ ক্ষেত্ৰত প্ৰকল্প সম্পূৰ্ণ কৰিব পৰা হব লাগিব।

৫) আৰবিআয়ে মুম্বাইলৈ অহা-যোৱাৰ বাবে ইকনমী শ্ৰেণীৰ বিমান ভাড়া, মুম্বাইত থকা কালছোৱাত উপযোগী থকাৰ ব্যৱস্থা, মুম্বাইত থকা কালছোৱাত উপযোগী থকাৰ ব্যৱস্থা, দৈনিক নিৰ্বাহ ভাট্টা আৰু প্ৰকল্পটো সফলতাৰে সম্পূৰ্ণ কৰাৰ পাছত একোটাকৈ মাননী দিব।

৬) ভিজিটিং ফেলোৱে ২ৰ পৰা ৩ মাহৰ ভিতৰত প্ৰকল্পটো সম্পূৰ্ণ কৰিব লাগিব, সম্পূৰ্ণ অবধিটো মুম্বাইতে থাকিব লাগিব বুলি কথা নাই। দুটাৰ অধিক নোহোৱা কালখণ্ড মুম্বাইৰ কেন্দ্ৰীয় কাৰ্যালয়ত অবধিটোৰ কমেও আধাখিনি সময় কটাব পৰা হব লাগিব।

৭) প্ৰকল্প সম্পূৰ্ণ হোৱাৰ পাছত ভিজিটিং ফেলোৱে ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰবিআই)ৰ এখন চেমিনাৰত নিজৰ গৱেষণা পত্ৰ দাখিল কৰিব লাগিব আৰু সেইখন আৰবিআই কাৰ্যকৰী পত্ৰ হিচাপে প্ৰকাশ কৰি অৱশেষত ৰিজাৰ্ভ বেংক অব ইণ্ডিয়া অকেজনেল পেপাৰ্হত প্ৰকাশ কৰা হব।

৮। এটা বিত্তীয় বৰ্ষত (জুলাই-জুন) চাৰিগৰাকী পৰ্যন্ত ভিজিটিং ফেলাক বিবেচনা কৰা হব। আৰ বি আই এ, ইয়াৰ স্বেচ্ছানুসৰি, যিকোনো বৰ্ষৰ বাবে ভিজিটিং ফেলোৰ সংখ্যা বঢ়া-টুতা কৰিব পাৰে।

৯) সমগ্ৰ বছৰটোতে আৰ বি আই ভিজিটিং ফেলোৰ বাবে আবেদন গ্ৰহণ কৰা হব আৰু পাৰস্পৰিক সুবিধা অনুযায়ী কালসূচী নিৰ্ধাৰণ কৰিব পৰা যাব। চিভি আৰু গৱেষণা প্ৰস্তাৱ সহ আবেদন email যোগেও পঠিয়াব পাৰিব।